**কৰ্ণাটক ৰাজ্য আৰু অন্য এজন**

**বনাম**

**টি ভেংকটাৰমনাপ্পা**

**২০ ছেপ্টেম্বৰ, ১৯৯৬**

**[সন্মানীয় ন্যায়াধীশ এম.এম. পুঞ্চি আৰু কে.এছ পৰিপূৰ্ণন]**

**সেৱা আইন:**

**কৰ্ণাটক অসামৰিক সেৱা নীতি :**

*নীতি ২৮ - প্ৰথম পত্নীয়ে থকা অৱস্থাত চৰকাৰী চাকৰিয়ালে দ্বিতীয় বিবাহত চুক্তিবদ্ধ হোৱা - চাকৰিৰ পৰা নিলম্বিত - দ্বিবিবাহ বাবে অপৰাধমূলক কাৰ্য্যবিধি – অভিযোগৰ পৰা অব্যাহতি- বিভাগীয় কাৰ্য্যবিধি- ন্যায়াধিকৰণে বিভাগীয় কাৰ্য্যবিধি নস্যাৎ কৰে আৰু নিলম্বন উঠাই দিয়ে – আপীল দাখিল কৰাত এই ৰায় দিয়ে বিভাগীয় তদন্ত অনুষ্ঠিত হ'ব লাগে যিহেতু ধাৰা ৪৯৪ ৰ অধীনত দ্বিবিবাহ বাবে দোষী সাব্যস্ত হোৱাটো ইয়াৰ বাবে পূৰ্বচৰ্ত হোৱাটো প্ৰয়োজনীয় নহয় - কিন্তু যিহেতু অভিযোগৰ পৰা অব্যাহতিৰ আদেশ কৰ্মচাৰীজনৰ সপক্ষে গৈছে, তদন্তৰ সময়ত তেওঁৰ নিলম্বন অব্যাহত ৰখাৰ প্ৰয়োজনীয়তা নাই –ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪৯৪।*

দেৱানী আপীলৰ অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং ১২৩১২/১৯৯৬।

বাংগালুৰুস্থিত কৰ্ণাটক প্ৰশাসনিক ন্যায়াধিকৰণে গোচৰ নং ৪৯২৮/১৯৯০ত ২৬.১০.৯০ তাৰিখে দিয়া ৰায় আৰু আদেশৰ পৰান

আপীলকাৰীৰ হৈ এম বীৰাপ্পা।

প্ৰতিপক্ষৰ হৈ মহাবীৰ সিং।

আদালতৰ তলত দিয়া ধৰণে আদেশ দিয়ে :

আনুমতি দিয়া হৈছে।

বাংগালুৰুস্থিত কৰ্ণাটকৰ প্ৰশাসনিক ন্যায়াধিকৰণে প্ৰতিপক্ষক প্ৰথম পত্নীয়ে থকা অৱস্থাত দ্বিতীয় বিবাহত চুক্তিবদ্ধ হোৱাৰ অভিযোগত বিভাগীয় তদন্তৰ সন্মুখীন হোৱাৰ পৰা মুক্ত কৰা আৰু যাৰ ফলস্বৰূপে, প্ৰতিপক্ষক পৰিণামগত সুবিধা প্ৰদান কৰি নিলম্বনৰ নিৰ্দেশ উঠাই লবলৈ দিয়া আদেশৰ বিৰুদ্ধে এই আপীল দাখিল কৰা হৈছে। গোচৰৰ নথিৰ পৰা দেখা যায় যে প্ৰতিপক্ষ যি এজন আৰক্ষী কনষ্টেবল, ফৌজদাৰী আদালতত তেওঁৰ পত্নীয়ে দাখিল কৰা গোচৰৰ সন্মুখীন হৈছিল আৰু তেওঁৰ দ্বিতীয় বিবাহ কৰাৰ প্ৰমাণৰ অভাৱত তেওঁক গোচৰৰ পৰা অব্যাহতি দিয়া হৈছিল। আনহাতে, প্ৰতিপক্ষজনৰ বিৰুদ্ধে এক বিভাগীয় তদন্ত আৰম্ভ কৰা হৈছিল, যাৰ বাবে তেওঁক নিলম্বিত কৰা হৈছিল। যাৰ বিৰুদ্ধে তেওঁ দুটা সকাহ- (ক) নিলম্বনৰ আদেশ উঠাই লোৱা আৰু (খ) অপৰাধ আদালতে যিহেতু ১৪/০১/১৯৮৮ তাৰিখে তেওঁক দ্বিবিবাহৰ অপৰাধৰ পৰা অব্যাহতি দিয়াৰ বাবে তেওঁৰ বিৰুদ্ধে তদন্ত বন্ধ কৰিব লাগে- বিচাৰি ন্যায়াধিকৰণলৈ যায়। ন্যায়াধিকৰণৰ প্ৰতিপক্ষৰ পক্ষে ৰায় দি বিভাগীয় কাৰ্য্যকলাপ নস্যাৎ কৰে আৰু নিলম্বন উঠাই লবলৈ নিৰ্দেশ দিয়ে।

এই বিষয়টো এই আদালতলৈ অনাৰ সময়ত এইটো আবেদন কৰা হৈছিল যে ১৪.১.১৯৮৮ তাৰিখৰ ফৌজদাৰী আদালতৰ উক্ত আদেশ পুনৰীক্ষণ কৰা হৈছে আৰু দণ্ডাধীশে দিয়া মতামত ওলোটা হোৱাৰ সম্ভাৱনা আছে। এতিয়া, এইটো স্পষ্ট হৈ পৰিছে যে সংশ্লিষ্ট অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতে ১১/০৯/১৯৯০ তাৰিখৰ আদেশৰ জৰিয়তে বিচাৰ আদালতৰ দণ্ডাধীশৰ দৃষ্টিভংগী নিশ্চিত কৰিছে যাৰ ফলস্বৰূপে প্ৰতিপক্ষজনক অভিযোগৰ পৰা অব্যাহতি দিয়া হৈছে। এইটো স্পষ্টভাৱে এই ভিত্তিত কৰা হৈছে যে এনে অপৰাধৰ বাবে দোষী সাব্যস্ত হোৱাৰ আগতে দ্বিতীয় বিবাহৰ আনুষ্ঠানিকতাক উপযুক্ত সাক্ষ্য-প্ৰমাণেৰে যথাযথভাৱে প্ৰমাণ কৰিব লাগিব। এই আদালতৰ কেইবাটাও ৰায় আছে যত ৰীতি-নীতি আৰু অনুষ্ঠানসমূহৰ যথাযথ পালনৰ সৈতে দ্বিতীয় বিবাহৰ আনুষ্ঠানিকতাৰ কঠোৰ প্ৰমাণৰ ওপৰত জোৰ দিয়া হৈছে। অপৰাধমূলক অভিযোগৰ ক্ষেত্ৰত গোচৰীয়া পক্ষৰ সাক্ষ্য-প্ৰমাণ হয়তো সেই মানদণ্ডবোৰতকৈ কম আছে কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ৰাজ্যখনক কৰ্ণাটক অসামৰিক সেৱা নীতিৰ নীতি নং ২৮ প্ৰয়োগ কৰাৰ পৰা বিৰত ৰাখিছিল, যি নীতিয়ে চৰকাৰৰ অনুমতি অবিহনে এজন চৰকাৰী কৰ্মচাৰীক দ্বিতীয়বাৰ বিয়া কৰাবলৈ নিষেধ কৰে। কিন্তু, ইয়াত, প্ৰতিপক্ষ এজন হিন্দু ধৰ্মৰ মানুহ হোৱা হেতুকে, "তেওঁৰ ব্যক্তিগত আইনে এনে বিবাহ নিষিদ্ধ কৰাৰ বাবে চৰকাৰে কেতিয়াও দ্বিতীয়বাৰ বিয়া কৰাৰ অনুমতি দিব নোৱাৰিলেহেঁতেন। দ্বি-বিবাহৰ দৰে বিষয়বোৰ

বিভাগীয় তদন্তৰ পৰিৱৰ্তে আদালতৰ দ্বাৰা মোকাবিলা কৰা উচিত বুলি দাবী কৰি প্ৰতিপক্ষজনৰ বিৰুদ্ধে বিভাগীয় কাৰ্য্যকলাপ বন্ধ কৰাৰ অধিকাৰ ন্যায়াধিকৰণৰ হাতত নাছিল। ন্যায়াধিকৰণে ভুল বুজি পাইছিল যে আদালতৰ সিদ্ধান্তবোৰে অধিক কৰ্তৃত্ব বহন কৰে। এনে দৃষ্টিভংগীত স্পষ্ট ভ্ৰান্তি আছিল কাৰণ নীতি নং ২৮ত হয়তো দণ্ডবিধি আইন ৪৯৪ নং ধাৰাৰ অধীনত কাৰোবাক দ্বিবিবাহৰ অভিযোগত দোষী সাব্যস্ত কৰাৰ বাবে প্ৰয়োজনীয় কঠোৰ নিয়মৰ প্ৰয়োজন নহ'বও পাৰে। আমি কৈছো যে আমি আমাৰ কাৰ্য্যক ন্যায্যতা প্ৰদান কৰিবলৈ ২৮ নং নিয়ম ব্যৱহাৰ কৰিব পাৰো। কিন্তু আমি নিশ্চিতভাৱে নিলম্বন বাতিলৰ সিদ্ধান্তত একমত কাৰণ প্ৰতিবাদকাৰীক অভিযোগৰ পৰা মুক্ত কৰা বুলি বিবেচনা কৰিলে তদন্তৰ সময়ত তেওঁক নিলম্বিত কৰি ৰখাটো অপ্ৰয়োজনীয় আছিল। তদন্ত হ'বলৈ দিয়ক।

এনেদৰে দুয়োটা পক্ষই আংশিক সফলতা হৈছে। এই পৰ্যবেক্ষণ আৰু নিৰ্দেশনাৰ সৈতে আপীল আবেদনত আদেশ দিয়া হ'ল। আপীল নিষ্পত্তি কৰা হ'ল।

অনুবাদক: মোবাৰক হুছেইন, জ্যেষ্ঠ অনুবাদক